দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

তিনিচুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ১৭১ ● দেওবাৰ ● ১৬ ফাগুন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday March 1, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰকাশিত




**কানৈ মহাবিদ্যালয়ত 'ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬' সম্পন্ন**

# 'যুৱ সমাজেই সংসদীয় গণতন্ত্ৰৰ মূল চালিকা শক্তি'



ডিব্ৰুগড ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৮ ফেব্ৰুৱাৰী ঃ 'যুৱ সমাজেই হৈছে সংসদীয় গণতন্ত্ৰৰ মূল চালিকা শক্তি। সমাজৰ প্ৰগতি, বিকাশ আৰু ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰাৰ বাবে সংসদীয় গণতন্ত্ৰৰ বিকল্প নাই।'— ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ৮ পিঠিলৈ

বেঙুনিয়ে আয়োজন কৰিছে
মাধুৰীমা চৌধুৰীৰ গুৰুগৃহত
বিহু নাচৰ আখৰা।
কৰ্মশালাত যোগদান কৰি
লাভ কৰক সুযোগ:
২০২৬ বৰ্ষৰ বেঙুনিৰ বৰ্ষ-শ্ৰেষ্ঠ
সৰু বিহুৱতী হ'বলৈ!

কৰ্মশালা আৰম্ভ হ'ব ১০ মাৰ্চৰ প
সময় - বিয়লি ৬.৩০ বজাৰ পৰা
স্থান- বৃহত্তৰ জাপৰিগোগ বিহুতলী

দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

য়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ১৭১ ● দেওবাৰ ● ১৬ ফাগুন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday March 1, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰক

ৰান দিৱসৰ কাৰ্যসূচীৰ অন্ত পৰে।

## তিৰ মৃত্যুৰ ঘটনা
## সঠিক তদন্ত
## মাছ'ৰ আহ্বান

ফেব্ৰুৱাৰী ঃ ওড়িশাৰ কটকত কৰ্মৰত যুৱ কাকতিৰ ২৬ ফেব্ৰুৱাৰীত এক ৰহস্যজনক নৰ অধিকাৰ সংগ্ৰাম সমিতিয়ে গভীৰ উদ্বেগ ্য ৰোহণৰ মৃত্যুৰ ঘটনাটোক পৰিয়ালৰ লগতে ত্যাকাণ্ড বুলি সন্দেহ ব্যক্ত কৰিছে। সেই তিৰ অধ্যক্ষ বুবুমণি গোস্বামী আৰু সচিবপ্ৰধান প্ৰচাৰ সচিব জিতুমণি নাথৰ দ্বাৰা প্ৰেৰিত এক চিকিৎসকগৰাকীৰ ৰহস্যজনক অস্বাভাৱিক ত হয়, তাৰবাবে উৰিষ্যা চৰকাৰ আৰু তাৰ য়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ধিকাৰ সংগ্ৰাম সমিতিয়ে আহ্বান জনাইছে। পোৱা অসমৰ শিক্ষাৰ্থী আৰু কৰ্মৰত যুৱক- আৰক্ষী, শিক্ষাবিদ তথা মনোবিজ্ঞানী সমাজৰ নকো 'মাছ'এ আহ্বান জনায়।

# 'যুৱ সমাজেই সংসদীয় গণতন্ত্ৰৰ মূল চালিকা...

*পাঁচ পিঠিৰ পৰা* (স্বায়ত্তশাসিত)ত ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত 'বিকশিত ভাৰত ঃ যুৱ সংসদ, ২০২৬' শীৰ্ষক অনুষ্ঠান উদ্বোধন কৰি শক্তি, দক্ষতা, নিযুক্তি আৰু উদ্যোগশীলতা, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আজি এইদৰে কয়। 'জৰুৰী অৱস্থাৰ ৫০ বছৰ ঃ ভাৰতীয় গণতন্ত্ৰৰ বাবে শিক্ষা' শীৰ্ষক বিষয়ৰ যুৱ সংসদখনত মন্ত্ৰী ফুকনে কয়— 'ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰত যুৱ সমাজৰ ওপৰতেই ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যৎ নিৰ্ভৰশীল।' মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চিৰ কেডেটে সভাগৃহলৈ আদৰণি জনাই অনা অনুষ্ঠানটোত তেওঁ কয়— 'যুৱ শক্তি অবিহনে এখন দেশৰ প্ৰগতি অসম্ভৱ।' অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা যুৱ সংসদখনৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ দি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই যুৱ সংসদৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি কয়— 'দেশৰ গণতন্ত্ৰ হ'ল এজোপা প্ৰকাণ্ড বটবৃক্ষ। যদি সেই বৃক্ষৰ ডাল-পাতবোৰ পৰিষ্কাৰ কৰি থকা যায়, শিপাত সাৰ-পানী দিয়া যায়, তেন্তে সেই গছে বেছি দিন ছাঁ দি থাকিব। দেশৰ সংসদখন যদি সেই বটবৃক্ষ হয়, তেন্তে যুৱ সংসদক নতুনকৈ গজালি মেলা শিপা বুলিব পাৰি'। তেওঁ আৰু কয় যে সেই শিপাবোৰ শক্তিশালী হ'লেই গণতন্ত্ৰৰ ভেটিও মজবুত হ'ব। সংসদে কেৱল চিঞৰ-বাখৰ কৰিবলৈ নিশিকায়, বৰঞ্চ বিপক্ষৰ যুক্তিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিকায়। তেওঁ কয়— যুৱ সংসদৰ দৰে অনুষ্ঠানে উদ্ভাৱনী চিন্তা গঢ়ি তোলে, ইয়াক কেৱল ৰাজনৈতিক তৰ্ক প্ৰতিযোগিতা বুলিব নোৱাৰি। ই হ'ল 'ৰাজনৈতিক ইনকিউবেটৰ'। মহাবিদ্যালয়ৰ অধ্যাপক তথা এন এছ এছৰ কাৰ্যক্ৰম বিষয়া শিৱনাথ চুতীয়াই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কয়, 'গণতন্ত্ৰ এখন ৰাষ্ট্ৰৰ মেৰুদণ্ড স্বৰূপ। যুৱ সমাজ দেশৰ ভৱিষ্যৎ আৰু গণতান্ত্ৰিক মূল্যবোধ সুৰক্ষিত কৰাটো যুৱ সমাজৰ দায়িত্ব।' ডিব্ৰুগড় জিলাৰ যুৱ কল্যাণ বিষয়া অভীক ৰঞ্জন দাসে যুৱ সমাজৰ শক্তি আৰু উদ্যম সঠিক দিশত পৰিচালিত হ'ব লাগিব বুলি কয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই কাৰ্যসূচীত বিচাৰক হিচাপে উপস্থিত থাকে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ড° বৰুণ দে', শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ড° অমৰ উপাধ্যায়, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দৰ্পণজিৎ কোঁৱৰ, চাবুৱাৰ ডি ডি আৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ৰণেন্দ্ৰ খাউণ্ড। প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰা ডিব্ৰুগড় জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰায় ৫০গৰাকী প্ৰতিযোগীৰ মাজৰ পৰা পাঁচগৰাকী শ্ৰেষ্ঠ প্ৰতিযোগীক অসম বিধানসভাত অনুষ্ঠিত হ'ব লগা ৰাজ্যিক পৰ্যায়ৰ যুৱ সংসদত ডিব্ৰুগড় জিলাক প্ৰতিনিধিত্ব কৰিবৰ বাবে নিৰ্বাচিত কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপক ড° জ্যোতি শইকীয়াই।



৯:০০ বজা

্যাপক

